समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

বিজ্ঞান

অধ্যায়-১৫

আমাৰ পৰিবেশ


অংশ – ৪
প্ৰশ্নোত্তৰ

জাহ্নৱী দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী



1) কিছুমান পদার্থ জীৱ নিম্নিকৰণ আৰু আন কিছুমান জীৱ অনিম্নিকৰণ কিয় হয়?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- আমাৰ দৈনন্দিন কাম কাজৰ বাবেই বহুতো আৱৰ্জনাৰ সৃষ্টি হয়। এইবোৰৰ কিছুমান জীৱ নিম্নিকৰণ আৰু কিছুমান জীৱ অনিম্নিকৰণ হয়। সাধাৰণতে আৱৰ্জনাবিলাকৰ ওপৰত পৰিৱেশত থকা অণুজীৱসমূহে কার্য কৰা আৰম্ভ কৰে। অণুজীৱসমূহে উৎসেচক সৃষ্টি কৰি কিছুমান আৱৰ্জনাত থকা জৈৱ যৌগসমূহ ভাঙি অজৈৱ মৌল বা কিছুমান সৰল অৱস্থালৈ ৰূপান্তৰ কৰে। অর্থাৎ আৱৰ্জনাৰ পচন ঘটায়। সেই আৱৰ্জনাসমূহক জীৱ নিম্নিকৰণ বোলে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কিছুমান আৱৰ্জনা আছে যিবোৰক অণুজীৱই পচন ঘটাব নোৱাৰে, তেনে পদাৰ্থকে জীৱ অনিম্নিকৰণ পদাৰ্থ বোলে। যেনে- প্লাষ্টিক, আইনাৰ সঁজুলি ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2) জীব নিম্নিকৰণ পদাৰ্থই পৰিৱেশত প্ৰভাৱ পেলাব পৰা যিকোনো দুটা সম্ভাৱনাৰ বিষয়ে লিখা।?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জীৱ নিম্নিকৰণ পদাৰ্থই পৰিৱেশত প্ৰভাৱ পেলাব পৰা সম্ভাৱনাসমূহ হ'ল-

(i) জীৱ নিম্নিকৰণ পদাৰ্থসমূহৰ যেতিয়া পচন হয় তেতিয়া সেইবোৰৰ পৰা বেয়া গোন্ধ ওলায়, যাৰ ফলত পৰিৱেশ বিনষ্ট হয়।

(ii) জীৱ নিম্নিকৰণ পদাৰ্থসমূহৰ ওপৰত বহুতো মহ-মাখিয়ে নিজৰ প্ৰজনন ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰে, যিবোৰে বহুতো ৰোগ যেনে- কলেৰা, টাইফয়ড,যক্ষ্মা ইত্যাদি ৰোগৰ বীজাণু কঢ়িয়াই আৰু এই ৰোগৰ সংক্ৰমণ ঘটায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3) জীৱ অনিষ্কিকৰণ পদাৰ্থই পৰিবেশত প্ৰভাৱ পেলাব পৰাযি কোনো দুটা সম্ভাৱনাৰ বিষয়ে লিখা?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জীৱ অনিম্নিকৰণ পদাৰ্থই পৰিৱেশত পেলাব পৰা প্ৰভাৱসমূহ হ'ল-

(i) বহুতো অনিম্নিকৰণ পদাৰ্থ (কীটনাশক দ্ৰব্য আৰু গধুৰ ধাতু) কিবা প্ৰক্ৰিয়াৰে খাদ্য-শৃংখলত প্ৰৱেশ কৰে আৰু জৈৱিক বিবৰ্ধন হয়, যাৰ ফলত মানুহ আৰু পৰিৱেশৰ অন্য জৈৱিক উপাদানসমূহৰ অনিষ্ট সাধন হ'ব পাৰে।

(ii) কীটনাশক দৰৱ আৰু ৰাসায়নিক সাৰে মাটিৰ উৰ্বৰতা হ্ৰাস কৰে আৰু তাৰ ফলত শস্যৰ উৎপাদন হ্ৰাস হ'ব পাৰে। মাটি আম্লিক বা ক্ষাৰকীয় হ'ব পাৰে।

4) পৌষ্টিক স্তৰ কি? উদাহৰণসহ এটা খাদ্যশৃংখলৰ বিভিন্ন পৌষ্টিক স্তৰৰ বিষয়ে লিখা।




উত্তৰঃ- খাদ্য শৃংখলৰ প্ৰতিটো গঠনাত্মক আৰু কাৰ্যকৰী স্তৰকে পৌষ্টিক স্তৰ বোলে।

উদাহৰণ স্বৰূপে, বনাঞ্চলৰ পৰিৱেশ তন্ত্ৰৰ খাদ্য-শৃংখলত থকা বিভিন্ন প্ৰকাৰৰ পৌষ্টিক স্তৰসমূহ হ'ল-

বনাঞ্চল পৰিৱেশ তন্ত্ৰত উৎপাদক হ'ল সেউজীয়া গছ-গছনি। সেউজীয়া গছ-গছনিক খাদ্য হিচাপে গ্ৰহণ কৰে হৰিণ বা বনাঞ্চলত থকা অন্য তৃণভোজী প্ৰাণীয়ে। এই প্ৰাণীসমূহক প্ৰাথমিক উপভোক্তা বোলে

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



প্রাথমিক উপভোক্তাক ভক্ষণ কৰে গৌণ উপভোক্তাই (শিয়াল, হায়েনা, কুকুৰনেছীয়া বাঘ ইত্যাদি)। গৌণ উপভোক্তাক আকৌ খাদ্য হিচাপে গ্ৰহণ কৰে সর্বোচ্চ বা তৃতীয়ক উপভোক্তাই (বাঘ, সিংহ ইত্যাদি)। এই খাদ্য-শৃংখলৰ উৎপাদক, প্রাথমিক উপভোক্তা, গৌণ উপভোক্তা, সর্বোচ্চ

উপভোক্তা সকলোবোৰকে পৌষ্টিক স্তৰ বোলে।

5) পৰিস্থিতি তন্ত্ৰত বিয়োজকৰ ভূমিকা কি?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৰিস্থিতি তন্ত্ৰত বিয়োজকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কোনো পৰিস্থিতি তন্ত্ৰৰ খাদ্য-শৃংখলৰ উৎপাদক বা উপভোক্তাৰ মৃত্যুৰ পিছত সিহঁতৰ শৰীৰত থকা জৈৱ যৌগসমূহক অজৈৱ মৌললৈ ৰূপান্তৰ কৰি পৰিৱেশত মুক্ত কৰে বিয়োজকে। বিয়োজকবোৰ হ'ল বেক্টেৰিয়া, ভেঁকুৰ ইত্যাদি। বিয়োজক নাথাকিলে মৃত উদ্ভিদ আৰু প্ৰাণীৰ পচন নঘটিলেহেঁতেন আৰু পৰিৱেশত ভূ-ৰাসায়নিক চক্ৰ নঘটিলহেঁতেন।

6) অ'জ'ন কি আৰু ই কোন পৰিস্থিতি তন্ত্ৰত কেনেদৰে প্ৰভাৱ পেলায়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অ'জন হ'ল অক্সিজেনৰ এক অৱস্থা। তিনিটা অক্সিজেনৰ পৰমাণু লগ লাগি অ'জন (O_3) গঠন হয়। বায়ুমণ্ডলৰ ষ্ট্ৰেট'স্ফিয়াৰ স্তৰত অর্থাৎ 18-50 কি.মি. ওপৰত অ'জন স্তৰ পোৱা যায়। অ'জন স্তৰে চুটি তৰংগ দৈর্ঘ্যৰ অতি বেঙুনীয়া ৰশ্মিক শোষণ কৰি ৰাখে আৰু পৃথিৱী পৃষ্ঠলৈ আহিবলৈ নিদিয়ে। অতি বেঙুনীয়া ৰশ্মি (UV radiation) মানুহ বা অন্যজীৱ জন্তুৰ বাবে ক্ষতিকাৰক।

কিছুমান অনিষ্টকাৰী ৰাসায়নিক পদাৰ্থ, যেনে- ক্লু'ৰ'ফ্লু'ৰ' কাৰ্বন (CFC), মিথেন (CH_4), নাইট্ৰ'জেনৰ অক্সাইড (NO) ইত্যাদি মানুহৰ দৈনন্দিন কাম-কাজৰ ফলত সৃষ্টি হয়। যিবোৰে অ'জন স্তৰটো পাতল কৰে। যাৰ ফলত অ'জন স্তৰৰ মাজেৰে অতি-বেঙুণীয়া ৰশ্মি পৃথিৱী পৃষ্ঠলৈ আহে আৰু মানুহৰ চালৰ কৰ্কট ৰোগ, চকুৰ চানি পৰা ৰোগ সৃষ্টি কৰে, আনকি অসংক্ৰাম্যতা তন্ত্ৰটো অনিষ্ট সাধন কৰে। এই ৰশ্মিৰ প্ৰভাৱত ভ্ৰূণৰ মৃত্যু হ'ব পাৰে আৰু উদ্ভিদৰ সালোক সংশ্লেষণ হ্ৰাস পাব পাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

7) পেলনীয়া আবর্জনাৰ সমস্যাৰ হ্রাস কৰিবলৈ তুমি কি পদক্ষেপ গ্রহণ কৰিবা? ইয়াৰ যিকোনো দুটা পদ্ধতিৰ বিষয়ে লিখা।



উত্তৰঃ পেলনীয়া আৱৰ্জনাৰ সমস্যাটো হ'ল বৰ্তমানৰ এক ডাঙৰ সমস্যা। বৰ্তমানৰ সময়ছোৱাত জনসংখ্যা বৃদ্ধি পোৱাৰ লগে লগে পেলনীয়া আৱৰ্জনাৰো পৰিমাণ বাঢ়ি গৈ আছে। সেয়েহে আৱৰ্জনাৰ দ্বাৰা সৃষ্ট সমস্যাৰ সমাধান কৰিবলৈ হ'লে প্ৰথমে আমি আমাৰ জীৱন ধাৰণ পদ্ধতি আৰু আমাৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তন ঘটাব লাগিব। উদাহৰণ স্বৰূপে, বৰ্তমানে আমি সকলোৱে বহুলভাৱে পলিথিনৰ পেকেট ব্যৱহাৰ কৰো আৰু সেইবোৰ য'তে য'তে পেলাও।

যদি পলিথিনৰ পৰিৱৰ্তে বজাৰ কৰোতে কাপোৰৰ মোনা ব্যৱহাৰ কৰো তেনেহ'লে পলিথিনৰ পৰা সৃষ্টি হোৱা এটা ডাঙৰ সমস্যাৰ পৰা মুক্ত হ'ব পাৰিম। ইয়াৰ উপৰি অন্য কাম-কাজবোৰতে ডিচপ'চেব'ল জাতীয় আহিলা বা পুনৰাৱৰ্তন কৰিবপৰা দ্ৰব্য ব্যৱহাৰ কৰিলে পেলনীয়া আৱৰ্জনাই পৰিৱেশত সৃষ্টি কৰা সমস্যাৰ পৰা ৰক্ষা পৰিম। ইয়াৰ উপৰি পাকঘৰৰ পেলনীয়া আৱৰ্জনা, গছৰ পাত ইত্যাদিক গাত খান্দি পুতি ৰাখি তাত সৃষ্টি হোৱা সাৰ কৃষ্টিকাৰ্যত ব্যৱহাৰ কৰিও পেলনীয়া আৱৰ্জনাই সৃষ্টি কৰিব পৰা সমস্যাৰ পৰা ৰেহাই পাব পাৰি।

পেলনীয়া আৱর্জনা নিষ্কাশন কৰিবৰ বাবে প্রয়োগ কৰা পদ্ধতিসমূহ হ'ল-

(i) দ ঠাই পুতিবলৈ (Land fills)

(ii) আৱর্জনাৰ পুনৰাবর্তন

(iii) পচন সাৰৰ প্রস্তুতকৰণ

(iv) জৈৱ গেছ আৰু সাৰ (manure) উৎপাদন

(v) ইনচাইনেৰেচন (Incineration) বা দহন।

অনুশীলনী

1) তলত উল্লেখ কৰা কোনখিনিত কৱল জীৱ নিম্নিকৰণ পদার্থ আছে?

(a) ঘাঁহ, ফুল আৰু চামৰা
(b) ঘাঁহ, কাঠ আৰু প্লাষ্টিক
(c) ফল-মূলৰ বাকলি, পিঠা আৰু টেঙাৰ ৰস
(d) পিঠা, কাঠ আৰু ঘাঁহ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2) তলত উল্লেখ কৰা কোনখিনিয়ে খাদ্য-শৃংখল গঠন কৰে?

(a) ঘাঁহ, ঘেঁহু আৰু আম

(b) ঘাঁহ, ছাগলী আৰু মানুহ

(c) ছাগলী, গৰু আৰু হাতী

(d) ঘাঁহ, মাছ আৰু ছাগলী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3) **তলত উল্লেখ কৰাবিলাকৰ কোনকেইটা পৰিৱেশ অনুকুল অভ্যাসৰ অন্তর্ভুক্ত?**

(a) দোকান বা বজাৰ কৰিবলৈ যাওতে হাতত কাপোৰৰ মোনা লৈ যোৱা অভ্যাস।

(b) অপ্রয়োজনীয়ভাৱে জ্বলি থকা লাইট বা চলি থকা ফেনৰ চুইচ্ছ (Switch)বন্ধ কৰি ৰখা অভ্যাস।

(c) তোমাক মাৰাই স্কুটাৰেৰে বিদ্যালয়লৈ অনা-নিয়া কৰাৰ পৰিৱর্তে তুমি নিজে খোজ কাঢ়ি যোৱাৰ অভ্যাস।

(d) ওপৰৰ আটাইকেইটা অভ্যাস।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3) **তলত উল্লেখ কৰাবিলাকৰ কোনকেইটা পৰিৱেশ অনুকুল অভ্যাসৰ অন্তর্ভুক্ত?**

(a) দোকান বা বজাৰ কৰিবলৈ যাওতে হাতত কাপোৰৰ মোনা লৈ যোৱা অভ্যাস।

(b) অপ্রয়োজনীয়ভাৱে জ্বলি থকা লাইট বা চলি থকা ফেনৰ চুইচ্ছ (Switch)বন্ধ কৰি ৰখা অভ্যাস।

(c) তোমাক মাৰাই স্কুটাৰেৰে বিদ্যালয়লৈ অনা-নিয়া কৰাৰ পৰিৱর্তে তুমি নিজে খোজ কাঢ়ি যোৱাৰ অভ্যাস।

(d) ওপৰৰ আটাইকেইটা অভ্যাস।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4) কোনো এটা পৌষ্টিক স্তৰৰ সকলোবিলাক জীৱকে ধ্বংস কৰি পেলালে কি ঘটিব?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4) কোনো এটা পৌষ্টিক স্তৰৰ সকলোবিলাক জীৱকে ধ্বংস কৰি পেলালে কি ঘটিব?

উত্তৰ: খাদ্য-শৃংখলৰ কোনো এটা পৌষ্টিক স্তৰৰ সকলোবিলাক জীৱ ধ্বংস কৰিলে ধ্বংস হোৱা পৌষ্টিক স্তৰৰ পৰৱৰ্তী পৌষ্টিক স্তৰলৈ শক্তিৰ প্ৰবহন নঘটিব আৰু সেই স্তৰৰ জীৱসমূহৰ মাজত খাদ্যৰ সংকট হ'ব পাৰে, যাৰবাবে জীৱসমূহে খাদ্যৰ সন্ধানত অন্য খাদ্য-শৃংখললৈ যাব পাৰে। দ্বিতীয়তে, ধ্বংস হোৱা পৌষ্টিক স্তৰৰ আগৰ পৌষ্টিক স্তৰত জীৱৰ সংখ্যা বৃদ্ধি হ'ব।

মুঠতে সেই নির্দিষ্ট খাদ্য-শৃংখলত ভাৰসাম্যতা নোহোৱা হ'ব।

ধৰা হ'ল, বনাঞ্চল পৰিবেশ তন্ত্ৰৰ খাদ্য-শৃংখলৰ পৰা যদি প্ৰাথমিক উপভোক্তা (তৃণভোজী প্ৰাণী) নোহোৱা হৈ যায় তেনেহ'লে গৌণ উপভোক্তাই খাদ্যসংকটত ভূগিব পাৰে আৰু উৎপাদকৰ সংখ্যা বৃদ্ধি পাব পাৰে।

5) বেলেগ বেলেগ পৌষ্টিক স্তৰৰ পৰা সকলোবিলাক জীৱক ধ্বংস কৰিলে প্ৰত্যেক পৌষ্টিক স্তৰৰ ফলাফলৰ সৈতে একেদৰে প্ৰভাৱ পৰিবনে? পৰিস্থিতি তন্ত্ৰৰ কোনো বিঘিনি নোহোৱাকৈ যি কোনো এটা পৌষ্টিক স্তৰৰ সকলোবিলাক জীৱক আঁতৰাব পাৰিমনে?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰ: বেলেগ বেলেগ পৌষ্টিক স্তৰৰ পৰা সকলোবিলাক জীৱক ধ্বংস কৰিলে প্ৰত্যেক পৌষ্টিক স্তৰৰ ফলাফলৰ সৈতে একে প্ৰভাৱ পৰিব। ধৰা হ'ল, যিকোনো খাদ্য-শৃংখলৰ পৰা উৎপাদকখিনি ধ্বংস কৰা হ'ল তেতিয়া প্ৰাথমিক উপভোক্তা অৰ্থাৎ তৃণভোজী প্ৰাণীৰ খাদ্য নোহোৱা হ'ব। যদি তৃণভোজী প্ৰাণী নাথাকে তেনেহ'লে মাংসভোজী প্ৰাণীৰ মাজত খাদ্য সংকট হ'ব। যিহেতু খাদ্য-শৃংখলৰ প্ৰতিটো পৌষ্টিক স্তৰৰ এটা আনটোৰ খাদ্যৰ উৎস, সেয়েহে একে প্ৰভাৱেই পৰিব।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পৰিস্থিতি তন্ত্ৰৰ কোনো বিঘিনি নোহোৱাকৈ যি কোনো এটা পৌষ্টিক স্তৰৰ সকলোবিলাক জীৱক আঁতৰাব নোৱাৰি। কোনো এটা স্তৰৰ জীৱক আঁতৰালেই খাদ্য শৃংখলত বা পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্যতা নোহোৱা হ'ব পাৰে।

6) জৈবিক বিবর্ধক (Biological Magnification) বুলিলে কি বুজা? পৰিস্থিতি তন্ত্ৰৰ বেলেগ বেলেগ স্তৰত ইয়াৰ প্ৰভাব বেলেগ বেলেগ হ বনে?




समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ: খেতি পথাৰৰ শস্যৰ বেমাৰ আৰু কীট-পতংগৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োগ কৰা কীটনাশক আৰু অন্যান্য ৰাসায়নিক পদাৰ্থবিলাক আমাৰ অজ্ঞাতেই খাদ্য-শৃংখলৰ যোগেদি আমাৰ দেহত প্ৰৱেশ কৰে। এই ৰাসায়নিক পদাৰ্থসমূহ খাদ্য-শৃংখলৰ বিভিন্ন পৌষ্টিক স্তৰত গোটখাই থাকে আৰু ক্ৰমান্বয়ে এইবোৰৰ পৰিমাণ বৃদ্ধি পায়। যিহেতু যিকোনো খাদ্য-শৃংখলৰ একেবাৰে শীৰ্ষত মানুহ থাকে গতিকে মানুহে বেছি পৰিমাণৰ জীৱক ভক্ষণ কৰে।

যাৰ ফলত মানুহৰ শৰীৰত এনে বিষাক্ত পদাৰ্থৰ পৰিমাণ বেছি হয়। এই পৰিঘটনাকে জৈৱিক বিবৰ্ধক বোলে।

পৰিস্থিতি তন্ত্ৰৰ বেলেগ বেলেগ স্তৰত জৈৱিক বিবৰ্ধক বেলেগ বেলেগ হ'ব। যাৰ ফলত প্ৰভাৱো একে নহয়।



7) আমি সৃষ্টি কৰা জীৱ অনিষ্নিকৰণ পদাৰ্থবিলাকৰ পৰা আমাৰ কি কি সমস্যা হ'ব পাৰে?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ : জীৱ অনিম্নিকৰণ পদাৰ্থই পৰিৱেশত পেলাব পৰা প্ৰভাৱসমূহ, হ'ল-


(i) বহুতো অনিম্নিকৰণ পদাৰ্থ (কীটনাশক দ্ৰব্য আৰু গধুৰ ধাতু) কিবা প্ৰক্ৰিয়াৰে খাদ্য-শৃংখলত প্ৰৱেশ কৰে আৰু জৈৱিক বিবৰ্ধন ঘটে, যাৰ ফলত মানুহ আৰু পৰিৱেশৰ অন্য জৈৱিক উপাদানসমূহৰ অনিষ্ট সাধন হ'ব পাৰে।

(ii) কীটনাশক দৰৱ আৰু ৰাসায়নিক সাৰে মাটিৰ উৰ্বৰতা হ্ৰাস কৰে আৰু তাৰ ফলত শস্যৰ উৎপাদন হ্ৰাস হ'ব পাৰে। মাটি আম্লিক বা ক্ষাৰকীয় হ'ব পাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪) আমি সৃষ্টি কৰা আৱর্জনাবিলাকৰ সকলোবিলাকেই যদি জীৱ নিম্নিকৰণ পদার্থ হয় তেনেহ'লে পৰিৱেশৰ ওপৰত একো প্ৰভাৱ নপৰাকৈ থাকিবনে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ : আমি সৃষ্টি কৰা আৱৰ্জনাবিলাকৰ সকলোবিলাক যদি জীৱ নিম্নিকৰণ হয়, তেনেহ'লেও পৰিৱেশৰ ওপৰত প্ৰভাৱ পৰিব। আৱৰ্জনাসমূহ জীৱ নিম্নিকৰণ হ'লেও সেইবোৰৰ প্ৰয়োজনীয় সময়ত পচন নঘটিব পাৰে আৰু সেইবোৰৰ পৰা দুৰ্গন্ধ ওলাব পাৰে, বায়ুপ্ৰদূষিত হ'ব পাৰে। ইয়াৰ উপৰি এইবোৰৰ পৰা বহুতো ৰোগৰ সৃষ্টি হ'ব পাৰে আৰু এই দ্ৰব্যবোৰ কিবা প্ৰকাৰে পানীত পৰিলে পানীও প্ৰদূষিত হ'ব পাৰে।